# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 24-01-2026** **Time : 1340 Hrs**

***Assamese NSD Midday Bulletin***

-----------------------------

## *HEADLINES*

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰে দেশৰ আৰু প্ৰৱাসী যুৱ সমাজৰ বাবে নতুন সা-সুবিধা সৃষ্টিৰ বাবে কাম কৰি আছে।

২। আজি ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস। এই দিৱসত কন্যা সন্তানৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য, পুষ্টিকৰণ আৰু কল্যাণত গুৰুত্ব দিয়া হয়।

৩। দেশৰ বস্ত্ৰ খণ্ড বিগত দশকত উল্লেখযোগ্যভাৱে বৃদ্ধি পাই ২০১৪ চনৰ ৮ দশমিক ৪ লাখ কোটি টকাৰ পৰা আজি এই পৰিমাণ প্ৰায় ১৬ লাখ কোটি টকা হৈছে।

৪। পাকিস্তানৰ খাইবাৰ পাখটুনৱা প্ৰদেশৰ ডেৰা ইছমাইল খান জিলাৰ এটা বিবাহ অনুষ্ঠানত হোৱা আত্মঘাতী বিস্ফোৰণত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেমান লোক আহত হয়।

**আৰু**

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰে দেশৰ আৰু প্ৰৱাসী যুৱ সমাজৰ বাবে নতুন সা-সুবিধা সৃষ্টিৰ বাবে কাম কৰি আছে। তেওঁ কয় যে ভাৰতে সম্প্ৰতি দেশৰ দক্ষ যুৱক-যুৱতীৰ বাবে সুযোগ মুকলি কৰিবলৈ বিভিন্ন দেশৰ সৈতে বাণিজ্যকে ধৰি বিভিন্ন গতিশীল চুক্তিত উপনীত হৈছে। নতুন দিল্লীত অষ্টাদশ ৰাষ্ট্ৰীয় নিয়োগ মেলাত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এইদৰে কয় এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নিযুক্তিৰ বাবে ৬১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে।

দেশৰ গতিশীল অৰ্থনীতিত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে মুঠ ঘৰুৱা উৎপাদন এটা দশকতে দুগুণত পৰিণত কৰা ভাৰত হৈছে বিশ্বৰ একমাত্ৰ অৰ্থনীতি। তেওঁ কয় যে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ জৰিয়তে বৰ্তমান এশৰো অধিক দেশে ভাৰতত বিনিয়োগ কৰিছে আৰু ২০১৪ চনৰ পূৰ্বৰ দশকত তুলনাত দেশত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আঢ়ৈ গুণৰো অধিক বৃদ্ধি হৈছে। এই ব্যাপক বৈদেশিক বিনিয়োগে দেশৰ যুৱ সমাজৰ বাবে কৰ্ম সংস্থাপনৰ সুবিধা সৃষ্টি কৰিছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। আজিৰ দিনটোৰ তাৎপৰ্য্য সন্দৰ্ভত তেওঁ কয় যে আজিৰ দিনটোতে দেশৰ সংবিধানে জনগণৰ মনত ৰাষ্ট্ৰীয় সংগীত আৰু বন্দে মাতৰমক ৰাষ্ট্ৰীয় গীত হিচাপে স্বীকৃতি দিছিল। নিয়োগ মেলা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে এই মেলা বৰ্তমান

এটা প্ৰতিষ্ঠানত পৰিণত হৈছে আৰু বিভিন্ন চৰকাৰী বিভাগৰ চাকৰিৰ বাবে কেইবা লাখ যুৱক-যুৱতীয়ে এই মেলাৰ জৰিয়তে নিযুক্তি লাভ কৰিছে। আজি বিতৰণ কৰা নিযুক্তি পত্ৰসমূহক তেওঁ ৰাষ্ট্ৰ নিৰ্মাণৰ আমন্ত্ৰণ হিচাপে অভিহিত কৰে। তেওঁ কয় যে বিকশিত ভাৰতৰ দিশে যুৱক-যুৱতীসকলক আগবঢ়াই নিয়াৰ বাবে এইয়া হৈছে বিশেষ সংকল্প পত্ৰ।

দেশৰ ৪৫ টা স্থানত আজি অষ্টাদশ নিযুক্তি মেলাৰ আয়োজন কৰা হয়। নৱ-নিযুক্ত প্ৰাৰ্থীসকলে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত যোগদান কৰিব।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি কৈছে যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানেৰে দেশৰ যুৱ সমাজৰ কল্যাণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি চেন্নাইৰ সমীপৰ আবাদীৰ চি আৰ পি এফৰ নিযুক্তি সমাৰোহত নিযুক্তি পত্ৰ বিতৰণ কৰি এই কথা প্ৰকাশ কৰে। অষ্টাদশ ৰাষ্ট্ৰীয় নিয়োগ মেলা আজি দেশৰ ৪৫ টা স্থানত অনুষ্ঠিত কৰা হয়। বিকশিত ভাৰতৰ লক্ষ্যত দেশ আগবাঢ়ি যোৱাৰ কথা উল্লেখ কৰি ড০ মুৰুগানে কয় ভাৰত ২০৪৭ চনৰ ভিতৰত ছুপাৰ পাৱাৰ হিচাপে পৰিগণিত হ'ব আৰু সেই সময়ত আজি নিযুক্তি পোৱা বিষয়া-কৰ্মচাৰীসকল উল্লেখযোগ্য পদত কৰ্তব্যত নিয়োজিত হৈ থাকিব। মন্ত্ৰীগৰাকীয়ে কয় যে ১ লাখ ৫০ হাজাৰৰো অধিক ষ্টাৰ্ট-আপ থকা বিশ্বৰ অন্যতম সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। নতুন ভাৰত নিৰ্মাণৰ বাবে দেশৰ যুৱ প্ৰজন্ম উদ্ভাৱনৰ ক্ষেত্ৰত অধিক আগ্ৰহী হৈ উঠিছে।

০০০০০০০০

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উপযাপন কৰা হৈছে। এই দিৱসত কন্যা সন্তানৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য, পুষ্টিকৰণ আৰু কল্যাণত গুৰুত্ব দিয়া হয়। প্ৰতি বছৰে ২৪ জানুৱাৰীত উদযাপন কৰা এই দিৱসত লিংগ বৈষম্যৰ বিৰোধিতা, সম-সুবিধা প্ৰদান আৰু সবল নাগৰিক হিচাপে সমাজত কন্যাসকলে মূৰ তুলি থাকিব পৰা পৰিৱেশৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ চেষ্টা কৰা হয়। ৰাষ্ট্ৰীয় কন্যাশিশু দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথবাৰৰ বাবে ক্ষমতাত অহাৰ পিছৰ বছৰটোত, ২০১৫ চনৰ ২২ জানুৱাৰীত **বেটী বচাও বেটী পঢ়াও** আঁচনিৰ শুভাৰম্ভ কৰিছিল। এই দিৱস উদযাপনৰ জৰিয়তে সমাজৰ পৰা নাৰীজনিত অপৰাধ, বাল্য বিবাহ আৰু লিংগ বৈষম্য দূৰ কৰাৰ লক্ষ্য লোৱাৰ উপৰি কন্যাসকলৰ শিক্ষা, স্বাস্থ্য, সুৰক্ষাত বিশেষ গুৰুত্ব দিয়া হয়। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত দেশত ২০০৮ চনত প্ৰথমবাৰৰ বাবে কন্যাশিশু দিৱস উদযাপন কৰা হৈছিল।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে কন্যাসকল কেৱল আমাৰ দায়বদ্ধতাই নহয় উন্নত দেশ নিৰ্মাণৰ ক্ষেত্ৰত মহিলাসকলে এটা অমূল্য শক্তি আৰু সাহসক প্ৰতিনিধিত্ব কৰে। শ্ৰীশ্বাহে আজি ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উপলক্ষে সমগ্ৰ দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে ৰাণী লক্ষ্মীবাই বেলু নছিয়াৰ, মূলাগাভৰু আৰু প্ৰীতিলতা ৱাডেদ্দাৰে প্ৰতিগৰাকী ভাৰতীয়ৰ অন্তৰত গৌৰৱেৰে স্থান অধিকাৰ কৰিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰে মহিলাৰ সক্ৰিয় অংশগ্ৰহণেৰে দেশৰ প্ৰগতিৰ

ক্ষেত্ৰত নাৰী শক্তিক অগ্ৰাধিকাৰ দিছে। বৰ্তমান সময়ত দেশৰ বিকাশৰ গাথাত মহিলাসকলে অগ্ৰণী ভূমিকা পালন কৰিছে।

0000000

ঋউপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে জন্ম দিৱসত আজি ভাৰত ৰত্ন কপূৰী ঠাকুৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীঠাকুৰক এজন প্ৰকৃত জননায়ক হিচাপে অভিহিত কৰি কয় যে সৰলতা, সামূহিকতা আৰু দৰিদ্ৰ শ্ৰেণীৰ সবলীকৰণৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে তেওঁ স্মৰণীয় হৈ থাকিব। শ্ৰীৰাধাকৃষ্ণনে আশা প্ৰকাশ কৰে যে জননায়ককগৰাকীৰ জনসেৱাৰ নীতিয়ে দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব আৰু দেশৰ গণতান্ত্ৰিক প্ৰমূল্যক শক্তিশালী কৰি ৰাখিব।

0000000

ইউৰোপীয় আয়োগৰ উপাধ্যক্ষ তথা ইউৰোপীয়ান ইউনিয়নৰ বৈদেশিক পৰিক্ৰমা আৰু সুৰক্ষা নীতিৰ উচ্চ প্ৰতিনিধিৰ কাজা কালাছ আজি পুৱা ভাৰতত উপস্থিত হয়। এইয়া হৈছে শ্ৰীকালাছৰ প্ৰথম ভাৰত ভ্ৰমণ। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে কাজা কালাছৰ এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয়ান ইউনিয়নৰ কৌশলগত অংশীদাৰিত্বক সুদৃঢ় কৰিব। তেওঁ কয় যে শ্ৰীকালাছৰ ভ্ৰমণে ভাৰত আৰু ইউৰোপীয়ান ইউনিয়নৰ মাজত উচ্চ পৰ্যায়ৰ বিষয়াবৰ্গৰ নিয়মীয়া যোগাযোগ সুনিশ্চিত কৰিব। এইবাৰৰ গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন ডেৰ লেয়েন আৰু ইউৰোপীয়ান পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' কোষ্টা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দুয়োগৰাকী নেতাই ২৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ষষ্ঠদশ ভাৰত-ইউৰোপীয়ান সন্মিলনত সহ-অধ্যক্ষতা কৰিব।

0000000

শৰ বস্ত্ৰ খণ্ড বিগত দশকত উল্লেখযোগ্যভাৱে বৃদ্ধি পাই ২০১৪ চনৰ ৮ দশমিক ৪ লাখ কোটি টকাৰ পৰা আজি এই পৰিমাণ প্ৰায় ১৬ লাখ কোটি টকা হৈছে। এই বস্ত্ৰ উদ্যোগ দেশৰ  নিয়োগ সৃষ্টি কৰা সৰ্ববৃহৎ উদ্যোগ হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত আজি ৭৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বস্ত্ৰ মেলাত ভাষণ দি বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কয় যে ঘৰুৱা বজাৰত ২০২৫ চনত এই বৃদ্ধিৰ পৰিমাণ ৬ লাখ কোটি টকাৰ পৰা ১৩ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। কোৰিড মহামাৰীৰ পাছৰ পৰা দেশৰ বস্ত্ৰ ৰপ্তানিৰ পৰিমাণ ২৫ শতাংশ বৃদ্ধি হৈছে। শ্ৰীসিঙে কয় যে ভাৰত আন্তঃৰাষ্ট্ৰীয় বস্ত্ৰ মেলা আন্তঃৰাষ্ট্ৰীয় বস্ত্ৰ ক্ৰেটাসকলৰ বাবে বিশ্বাসযোগ্য গোলকীয় মঞ্চ হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে নৰেন্দ্ৰী মোদী নেতৃত্বাধীন চৰকাৰে বস্ত্ৰ খণ্ডৰ ভালেমান আসোঁৱাহ দূৰ কৰাৰ লগতে ভালেমান আঁচনি ৰূপায়ণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান দেশৰ পৰা বস্ত্ৰ ৰপ্তানিৰ পৰিমাণ, আৰ্জেণ্টিনালৈ ৭৭ শতাংশ, ইজিপ্তলৈ ৩০ শতাংশ, পলেণ্ড আৰু জাপানলৈ ২০ শতাংশ আৰু ছুইডেন আৰু ফ্ৰান্সলৈ ১০ শতাংশকৈ বৃদ্ধি হৈছে। তেওঁ আৰু কয় যে বিদেশী ৰাষ্ট্ৰৰ বস্ত্ৰ সামগ্ৰীৰ প্ৰতি ভাৰতৰ নিৰ্ভৰশীলতা হ্ৰাস পোৱাৰ লগতে ভিজননেক্সট আৰু ইণ্ডিয়াছাইজ  পদক্ষেপৰ জৰিয়তে  ভাৰতে নিজা মান সম্পন্ন বস্ত্ৰ সামগ্ৰী বিকশাই তুলিছে।

0000000

পাকিস্তানৰ খাইবাৰ পাখটুনৱা প্ৰদেশৰ ডেৰা ইছমাইল খান জিলাৰ এটা বিবাহ অনুষ্ঠানত হোৱা আত্মঘাতী বিস্ফোৰণত  আজি ৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ভালেমান লোক আঁহত হয়। পিচ কমিটিত আবাসিক মুৰববী নুৰ আলম মেহছুদক লক্ষ্য কৰি এই বিস্ফোৰণ সংঘটিত কৰা হয় আৰু তেওঁ এই আক্ৰমণত আহত হয়। বিবাহ সমাৰোহত এই বিস্ফোৰণ সংঘটিত কৰাৰ পাছত কেইগৰাকীমান আক্ৰমণকাৰীয়ে ধাৰাবাহিকভাৱে গুলীবৰ্ষণ কৰে। ঘটনাৰ সবিশেষ তদন্ত অব্যাহত আছে। পাকিস্তানত বিগত বৰ্ষত ২৫ শতাংশ হিংসাত্মক ঘটনা বৃদ্ধি হৈছে। বিগত বৰ্ষত দেশখনত ৩ হাজাৰ ১৮৭ গৰাকী লোকে প্ৰাণ হেৰুৱাৰ লগতে এহেজাৰ ৯৮১ গৰাকী লোক আহত হৈছে।

0000000

াৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ’ব। যোৱা নিশা ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাটোৰ দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। ইয়াৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰে। যোৱা নিশাৰ খেলখনত বিজয়ৰ বাবে নিউজিলেণ্ডে ভাৰতক ২০৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ১৫ অভাৰ আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। অধিনায়ক সূৰ্য কুমাৰ যাদৱে ৩৭ টা বলত ৮২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ঈষাণ কিষাণে ৩২ টা বলত ৭৬ ৰান আৰু শিৱম ডুবেই ১৮টা বলত ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰি, জেকফ ডাফি আৰু ইশ্ব ছ’ধীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৬ উইকেটৰ বিনিয়মত ২০৮ ৰান সংগ্ৰহ কৰে। অধিনায়ক মিচ্ছেল ছেণ্টনাৰে সৰ্বাধিক ৪৭ আৰু ৰাচিন ৰবীন্দ্ৰই ৪৪ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে দুটা উইকেট দখল কৰে। হাৰ্দিক পাণ্ডিয়া, হৰ্ষিত ৰাণা, শিৱম ডুবে আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট লাভ কৰে। ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

0000000

**সমাপ্ত**